**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-03-2025 **Time :** 1910 Hrs.

***Assamese EVENING Bulletin***
***HEADLINES***

১। ম্যানমাৰ আৰু থাইলেণ্ডত আজি ওপৰা-উপৰিকৈ অহা দুটা ভূমিকম্পৰ ফলত কমেও তিনিজন লোক নিহত আৰু ভালেসংখ্যক লোক আহত হোৱাৰ আশংকা কৰা হৈছে।।

২। নীতি আয়োগৰ সদস্য অৰবিন্দ বীৰমানিয়ে আজি নতুন দিল্লীত নীতি আয়োগৰ ট্ৰেড ৱাট্চ ত্ৰৈমাসিক প্ৰতিবেদন মুকলি কৰে।

৩। লোকসভাত আজি ভাৰতীয় সামুদ্ৰিক পথেৰে সামগ্ৰী পৰিবহণ আইন, ১৯২৫ৰ পৰিৱৰ্তে সামুদ্ৰিক পথেৰে সামগ্ৰীৰ পৰিবহণ বিধেয়ক, ২০২৪ গৃহীত হৈছে।

৪। কেন্দ্ৰীয় চৰকাৰে আজি বৈদ্যুতিক সামগ্ৰীৰ উৎপাদন বৃদ্ধি কৰাৰ লগতে এই সামগ্ৰীসমূহৰ যোগান শক্তিশালী কৰিবলৈ বৈদ্যুতিক সামগ্ৰী উৎপাদন আঁচনিত অনুমোদন জনাইছে।।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি ক্ষন্তেক পাছতে চেন্নাইত হ'বলগীয়া এখন খেলত ৰয়েল ছেলেঞ্জাৰ্চ বেংগালুৰু চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

ম্যানমাৰ আৰু থাইলেণ্ডত আজি ওপৰা-উপৰিকৈ অহা দুটা ভূমিকম্পৰ ফলত কমেও তিনিজন লোক নিহত আৰু ভালেসংখ্যক লোক আহত হোৱাৰ আশংকা কৰা হৈছে। ৰিখটাৰ স্কেলত ৭ দশমিক ৭ আৰু ৬ দশমিক ৪ প্ৰাব্যলৰ এই দুটা ভূমিকম্পৰ জোকাৰণি অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখন, উত্তৰ বংগৰ উপৰি চীনৰ দক্ষিণ-পশ্চিম অংশতো অনুভূত হোৱাৰ বাতৰি পোৱা গৈছে। এই ভূমিকম্পত ম্যানমাৰৰ বিভিন্ন অঞ্চলত ভালেমান ক্ষয়-ক্ষতি হোৱাৰ বাতৰি আহিছে। দেশখনৰ উত্তৰ-পশ্চিমৰ ছাগাইঙ নগৰৰ সমীপত অভিকেন্দ্ৰ থকা এই ভূমিকম্পৰ ফলত ম্যানমাৰৰ মাণ্ডালেৰ আভা দলংখন ইৰাবতী নৈত ভাগি পৰাৰ উপৰি কেইবাটাও ভৱন ক্ষতিগ্ৰস্ত হোৱাৰ বাতৰি পোৱা গৈছে। এই স্থানৰ পৰা প্ৰায় ৯০০ কিলোমিটাৰ নিলগৰ থাইলেণ্ডৰ ৰাজধানী বেংককতো ভূমিকম্পৰ শক্তিশালী জোকাৰণি অনুভূত হোৱাৰ ফলত বেংককত নিৰ্মাণৰত অৱস্থাত থকা এটা কেইবা মহলীয়া অট্টালিকা ধ্বংসস্তূপত  পৰিণত হয়। দেশখনৰ প্ৰতিৰক্ষা মন্ত্ৰীয়ে সংবাদ মাধ্যমক প্ৰকাশ কৰা অনুসৰি ধ্বংসস্তূপৰ মাজৰ পৰা এতিয়ালৈকে তিনিজন লোকৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে। ইয়াৰ উপৰি ৯০ জন লোক সন্ধানহীন হৈ আছে।  বহু অট্টালিকাৰ চাদৰ ওপৰত থকা ছুইমিংপুলসমূহৰ পানী ভূমিকম্পৰ জোকাৰণিত হেন্দালি খাই বহু দূৰলৈ চিটিকি পৰা পৰিলক্ষিত হয়। ম্যানমাৰৰ ৰাজধানী মহানগৰ নেইপি-টাও আৰু বাণিজ্যিক মহানগৰী মাণ্ডালেইকে  ধৰি ম্যানমাৰৰ ছটা খণ্ডত জৰুৰী অৱস্থা ঘোষণা কৰা হৈছে। ম্যানমাৰৰ সামৰিক জুণ্টাই এই ভয়াবহ পৰিস্থিতিৰ সন্মুখীন হোৱাৰ বাবে আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ৰ পৰা সহায়ৰ আহ্বান জনাইছে। বিশ্ব সম্প্ৰদায়ৰ পৰা নিলগে থকা শাসনাধিস্থিত দেশকনৰ সামৰিক জুণ্টাৰ এই আহ্বানে পৰিস্থিতিৰ ভয়াবহতা সূচাইছে বুলি পৰ্যবেক্ষকসকলে ধাৰণা কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ম্যানমাৰ আৰু থাইলেণ্ডৰ ভূমিকম্পত ক্ষতিগ্ৰস্ত জনসাধাৰণ আৰু চৰকাৰলৈ সম্ভৱপৰ সকলোধৰণৰ সাহায্য আগবঢ়াবলৈ সাজু আছে বুলি প্ৰকাশ কৰিছে। তেওঁ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ক ম্যানমাৰ আৰু থাইলেণ্ড চৰকাৰৰ সৈতে যোগাযোগ ৰাখিবলৈ আহ্বান জনাইছে।

ভাৰতীয় দূতাবাসে ভূমিকম্পৰ ফলত উদ্ভৱ হোৱা পৰিস্থিতিৰ ওপৰত দৃষ্টি ৰাখিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ভাৰতীয় দূতাবাসে থাইলেণ্ডত বাস কৰা ভাৰতীয় নাগৰিকসকলক যিকোনো সাহায্যৰ বাবে জৰুৰীকালীন নম্বৰ ৬৬৬১৮৮১৯২১৮

ত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে। বেংকক আৰু চিয়াংমেত থকা ভাৰতীয় দূতাবাসৰ সকলো সদস্য সুৰক্ষিত হৈ আছে বুলি সূত্ৰটোৱে জনাইছে।

০০০০০০০

নীতি আয়োগৰ সদস্য অৰবিন্দ বিৰমানীয়ে আজি নতুন দিল্লীত নীতি আয়োগৰ ট্ৰেড ৱাচ ত্ৰৈমাসিক প্ৰতিবেদন মুকলি কৰে। ২০২৫ বিত্তীয় বৰ্ষৰ জুলাইৰ পৰা ছেপ্টেম্বৰলৈ দ্বিতীয় ত্ৰৈমাসিকৰ বাবে এই ত্ৰৈমাসিক প্ৰতিবেদন প্ৰকাশ কৰা হৈছে। প্ৰতিবেদনত উল্লেখ কৰা অনুসৰি ২০২৩ বৰ্ষৰ একে সময়ৰ তুলনাত এপ্ৰিলৰ পৰা ছেপ্টেম্বৰলৈ ভাৰতৰ মুঠ বাণিজ্য ৫ দশমিক ৬-৭ শতাংশ বৃদ্ধি পোৱাৰ লগতে ৰপ্তানি ৫ দশমিক ২-৩ শতাংশ বৃদ্ধি পাইছে আৰু আমদানি বছৰি ৬ দশমিক ০-৭ শতাংশ বৃদ্ধি পাইছে। প্ৰতিবেদনত কোৱা হৈছে যে যোৱা ছয় মাহত প্ৰতি মাহে গড়ে ৩৫ দশমিক ৪ বিলিয়ন ডলাৰৰে দেশৰ সামগ্ৰী ৰপ্তানি সুস্থিৰ হৈ আছে , আনহাতে আগষ্টৰ বৃদ্ধিৰ বাহিৰে দেশৰ আমদানিৰ গড় ৫৭ দশমিক ৮ বিলিয়ন ডলাৰ। প্ৰতিবেদনখনত লগতে উল্লেখ কৰা হৈছে যে বিশ্বৰ বস্ত্ৰ ৰপ্তানিৰ ক্ষেত্ৰত ভাৰত ষষ্ঠ স্থানত আছে। এই ট্ৰেড ৱাচ প্ৰতিবেদনত বিশ্বৰ চাহিদা-যোগানৰ দৃষ্টিভংগী, খণ্ডভিত্তিক প্ৰদৰ্শন আৰু উদীয়মান বাণিজ্যৰ সুযোগৰ অন্তৰ্দৃষ্টিক একত্ৰিত কৰি ভাৰতৰ বাণিজ্যিক স্থিতিৰ এক সামগ্ৰিক দৃশ্যপট দেখুওৱা হৈছে।

০০০০০০০

ভাৰতীয় সাগৰীয় পথেৰে সামগ্ৰীৰ পৰিবহন আইন ১৯২৫ ৰ সলনি কৰি আজি লোকসভাত সাগৰীয় পথেৰে সামগ্ৰীৰ পৰিবহন বিধেয়ক ২০২৪ গৃহীত হৈছে। বিধেয়কখনৰ সন্দৰ্ভত সদনত হোৱা বিতৰ্কৰ উত্তৰ দি কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোনোৱালে কয় যে বিধেয়কখনৰ মূল উদ্দেশ্য হৈছে পূৰ্বৰ আইনখনক সৰল কৰা। আইনখনৰ ধাৰণা সলনি নকৰাকৈ বুজিবলৈ সহজ কৰি তোলা। বিধেয়কখনৰ জৰিয়তে সামগ্ৰী পৰিবহণৰ ক্ষেত্ৰত বাহকৰ সৈতে জড়িত দায়িত্ব , দায়বদ্ধতা, অধিকাৰ আৰু প্ৰতিৰক্ষাৰ ব্যৱস্থা কৰা হৈছে। বিধেয়কখনে লগতে কেন্দ্ৰীয় চৰকাৰক ইয়াৰ বাবে নিৰ্দেশনা জাৰি কৰাৰ ক্ষমতা প্ৰদান কৰে।

০০০০০০০

দিল্লী উচ্চ ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ যশৱন্ত বাৰ্মাৰ চৰকাৰী আবাসত উদ্ধাৰ হোৱা বিপুল পৰিমাণৰ নগদ ধন উদ্ধাৰ সম্পৰ্কত এজাহাৰ দাখিলৰ অনুমতি বিচাৰি দাখিল কৰা এখন আবেদন আজি খাৰিজ কৰে। ন্যায়াধীশ অভয় অকা আৰু ন্যায়াধীশ উজ্জ্বল ভূঞাৰ বিচাৰপীঠে উচ্চতম ন্যায়ালয়ৰ অধিবক্তা মেথিউজ জে নেডুমপাৰাই এই সম্পৰ্কত দাখিল কৰা আবেদনখন নাকচ কৰে আৰু এই ঘটনা সন্দৰ্ভত ভাৰতৰ মুখ্য ন্যায়াধীশ সঞ্জীৱ খান্নাই গঠন কৰি দিয়া নিজস্ব অনুসন্ধানৰ সমাপ্তিৰ বাবে অপেক্ষা কৰিবলৈ আবেদনকাৰীক পৰামৰ্শ দিয়ে।

বিচাৰপীঠখনে কয়, যে যদি এই নিজাববীয়া অনুসন্ধানত যদি ন্যায়াধীশ বাৰ্মা দোষী প্ৰমাণিত হয়, তেন্তে উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশে তেওঁক অপসাৰণ কৰিব পৰাৰ বিকল্প আছে।

০০০০০০০

কেন্দ্ৰীয় চৰকাৰে আজি বৈদ্যুতিক সামগ্ৰীৰ উৎপাদন বৃদ্ধি কৰাৰ লগতে এই সামগ্ৰীসমূহৰ যোগান শক্তিশালী কৰিবলৈ বৈদ্যুতিক সামগ্ৰী উৎপাদন আঁচনিত অনুমোদন জনাইছে। আজি নতুন দিল্লীত মন্ত্ৰীসভাৰ সিদ্ধান্তসমূহৰ বিষয়ে সংবাদ মাধ্যমৰ আগত অৱগত কৰি তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয়, যে বৈদ্যুতিক সামগ্ৰী উৎপাদন আঁচনিৰ বাবে চৰকাৰে ২২ হাজাৰ কোটি টকাৰো অধিক পুঁজিৰ যোগান ধৰিব। তেওঁ লগতে কয়, যে এই আঁচনিৰ জৰিয়তে ৯১ হাজাৰৰো অধিক প্ৰত্যক্ষ কৰ্ম সংস্থাপনৰ লগতে কেইবাহাজাৰৰো অধিক পৰোক্ষ কৰ্ম সংস্থাপনৰ সৃষ্টি হ'ব।

০০০০০০০

ৰাজ্যসভাত আজি উত্থাপন হোৱা বিমান সামগ্ৰীৰ স্বাৰ্থ সুৰক্ষা বিধেয়ক, ২০২৫ বিবেচনাৰ বাবে গ্ৰহণ কৰা হৈছে। এই সন্দৰ্ভত হোৱা আলোচনাৰ সময়তে কংগ্ৰেছ সাংসদ নীৰজ ডাংগিয়ে বিমান বন্দৰসমূহৰ ব্যক্তিগতকৰণ আৰু বিমান যাত্ৰাৰ উচ্চ নিৰিখৰ বিষয়টো উত্থাপন কৰে। দেশৰ সাধাৰণ জনগণে উচ্চমানৰ নিৰিখ বহন কৰিবলৈ সমৰ্থ নহয় বুলি মন্তব্য কৰি সাংসদজনে চৰকাৰৰ উড়ান আঁচনিৰ সন্দৰ্ভতো প্ৰশ্ন উত্থাপন কৰে। সাংসদজনে লগতে দেশৰ এয়াৰ এম্বুলেঞ্চ সেৱাৰ প্ৰসাৰৰ প্ৰয়োজন বুলিও সদনত উল্লেখ কৰে। বিজেপিৰ সাংসদ ভীমৰাও মহাডিকে কংগ্ৰেছ সাংসদজনৰ প্ৰশ্নৰ উত্তৰ দি দেশত অসামৰিক বিমান সেৱা খণ্ডৰ দ্ৰুত উন্নয়ন হৈছে বুলি তথ্য দাঙি ধৰে। তেওঁ কয়, যে দেশত ২০১৪ চনত মাত্ৰ ৭৪ টা কাৰ্যক্ষম বিমান বন্দৰ থকাৰ পৰিৱৰ্তে বৰ্তমান ইয়াৰ সংখ্যা ১৪৯ টালৈ বৃদ্ধি পাইছে।

০০০০০০০

মালদ্বীপৰ Islamic Affairs মন্ত্ৰালয়ৰ তৰফৰ পৰা এটা বিবৃত্তিত প্ৰকাশ কৰা অনুসৰি অহা ৩০বা ৩১ মাৰ্চ তাৰিখে দ্বীপৰাষ্ট্ৰ খনত ঈদ–উল–ফিটৰ উদযাপন কৰা হ'ব। মন্ত্ৰালয়ৰ তৰফৰ পৰা ইতিমধ্যে ঈদৰ দিনা ৰাতিপুৱা ৭ বজাৰ নামাজ পঢ়িবলৈ কেইবাটাও স্থান নিৰ্ধাৰন কৰি দিয়া হৈছে। ধৰ্মীয় সমাবেশৰ সমান্তৰালকৈ দেশখনৰ বিলাসী ৰিজৰ্ট সমূহে নাগৰিক আৰু পৰ্যটকসকলে যাতে আধ্যাত্মিকতাৰ সমান্তৰালকৈ এটি স্মৰনীয় ঈদ উদযাপন কৰিব পাৰে তাৰ বাবে বিশেষ ব্যৱস্থা কৰিছে। প্ৰধানমন্ত্ৰী ড০ মহম্মদ মুইজোৱে প্ৰকাশ কৰা অনুসৰি পৱিত্ৰ ৰমজান উপলক্ষে দেশখনৰ চৰকাৰে বহুসংখ্যক উপহাৰ প্ৰদান কৰিছে। তেওঁ লগতে কয় যে ৰমজানৰ মাহটোত তেওঁৰ চৰকাৰে বিদ্যালয়সমূহ বন্ধ ৰখাৰ সিদ্ধান্ত গ্ৰহন কৰিছিল যাৰ বাবে এইবাৰো সমগ্ৰ ৰমজান মাহটোত বিদ্যালয়সমূহ বন্ধ ৰখা হৈছে।তদুপৰি ৰমজান মাহৰ শেষৰ দহদিন দেশখনত চৰকাৰী বন্ধৰ ঘোষনা কৰা হৈছে।

০০০০০০০

দিল্লী বিধানসভাৰ বাজেট অধিৱেশন আজি প্ৰশ্নকালীন ঘণ্টাৰে আৰম্ভ হয়। প্ৰশ্নকালীন ঘণ্টাৰ সময়ছোৱাত শাসকীয় আৰু বিৰোধী দলৰ সদস্যসকলে নিজৰ নিজৰ সমষ্টিৰ বিভিন্ন গুৰুত্বপূৰ্ণ বিষয়ত বিশেষকৈ পুৰণি পেঞ্চন আঁচনি, ৰাস্তা-ঘাট, পানী যোগান, যান-বাহনৰ সমস্যা আদি সন্দৰ্ভত আলোচনা কৰে।

প্ৰশ্নকালীন ঘণ্টাত বিধানসভাৰ অধ্যক্ষ বিজেন্দৰ গুপ্তাৰ নিৰ্দেশত বিৰোধী দলৰ নেত্ৰী আতিশী, বিচেছ ৰবি, কুলদীপ কুমাৰ আৰু সঞ্জয় ঝাকে ধৰি আম আদমি দলৰ কেইবাজনো বিধেয়কক সদনৰ কাৰ্যক্ৰমণিকা চলাই নিয়াত বাধা আৰোপ কৰাৰ অভিযোগত মাৰ্শ্বালৰ সহায়ত বাহিৰ কৰি দিয়া হয়। ইয়াৰ পাছত সদনত দিল্লীৰ পৰিবহণ নিগম সন্দৰ্ভত কেগৰ প্ৰতিবেদনৰ আলোচনা অনুষ্ঠিত হয়। ইয়াৰ পূৰ্বে যোৱা ২৪ মাৰ্চত দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাই কেগৰ প্ৰতিবেদন উত্থাপন কৰিছিল। এই আলোচনা আৰম্ভ হোৱাৰ আগতে বিৰোধী দলৰ আটাইবোৰ বিধায়কে সদনৰ পৰা প্ৰস্থান কৰে। আলোচনাত অংশগ্ৰহণ কৰি বিজেপিৰ বিধায়ক সতীশ উপাধ্যায়ে কয়, যে কেগৰ প্ৰতিবেদন অনুসৰি পূৰ্বৰ আম আদমী পাৰ্টীৰ চৰকাৰখনে জনসাধাৰণক উন্নত পৰিবহণ সুবিধা দিয়াৰ বিপৰীতে নিগমটোত দুৰ্নীতিৰহে ক্ষেত্ৰ কৰি তোলে। ইয়াৰ ফলত নিগমে বহু কোটি টকা লোকচানৰ মুখামুখি হৈছে। ইপিনে, বিৰোধী নেত্ৰী তথা আম আদমি দলৰ বিধায়িকা আতিশী আৰু অন্যান্য বিধায়কে বিজেপিৰ মহিলা সমৃদ্ধি যোজনা, ২০২৫ সন্দৰ্ভত প্ৰতিবাদ সাব্যস্ত কৰে। সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত শ্ৰীমতী আতিশীয়ে অভিযোগ কৰে, যে বিজেপিয়ে এই মাহৰ ৮ তাৰিখে মহিলাসকলক দুহেজাৰ ৫০০ টকাকৈ প্ৰদানৰ প্ৰতিশ্ৰুতি পূৰণ কৰা নাই।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ৩০ মাৰ্চৰ পৰা মহাৰাষ্ট্ৰ আৰু ছত্তিশগড় ভ্ৰমণ কৰিব। মহাৰাষ্ট্ৰ ভ্ৰমণৰ সময়ত প্ৰধানমন্ত্ৰীয়ে নাগপুৰলৈ গৈ স্মৃতি মন্দিৰ দৰ্শন কৰাৰ লগতে দীক্ষা ভূমিও ভ্ৰমণ কৰিব। ইয়াৰ পাছত তেওঁ নাগপুৰত মাধৱ নেত্ৰালয় প্ৰিমিয়াম চেণ্টাৰৰ আধাৰশিলা স্থাপন কৰাৰ লগতে এখন জনসভাতো ভাষণ দিব। এই ভ্ৰমণৰ সময়ছোৱাত তেওঁ ৰাজ্যখনত নতুনকৈ স্থাপন কৰা কেইবাটাও প্ৰকল্প আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব।

মহাৰাষ্ট্ৰ ভ্ৰমণৰ সময়ছোৱাত প্ৰধানমন্ত্ৰীয়ে বিলাসপুৰত ৩৩ হাজাৰ কোটি টকাৰো অধিক পৰিমাণৰ পুঁজি ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্প মুকলি কৰিব।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাইত হ'বলগীয়া এখন খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰু চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ইপিনে, লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে যোৱানিশা হায়দৰাবাদত অনুষ্ঠিত এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদক ৫ উইকেটত পৰাস্ত কৰে। লক্ষ্ণৌ দলে ১৯১ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৬ অভাৰ আৰু এটা বলত ৫টা উইকেট হেৰুৱাই ১৯৩ ৰান কৰে। লক্ষ্ণৌ ছুপাৰ জায়েণ্টৰ হৈ নিক'লাছ পুৰাণে ২৬টা বলত ৭০ ৰান আৰু মিচেল মাৰ্ছে ৩১টা বলত ৫২ ৰান কৰে। হায়দৰাবাদৰ অধিনায়ক পেট কামিন্সে দুটা উইকেট লাভ কৰে। ইয়াৰ আগেয়ে ছানৰাইজাৰ্ছ হায়দৰাবাদে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৯ উইকেটৰ বিনিময়ত ১৯০ ৰান কৰে। হায়দৰাবাদৰ হৈ ট্ৰেভিছ হেডে ৪৭ আৰু অনিকেট বাৰ্মাই ৩৬ ৰানৰ বৰঙণি আগবঢ়ায়। লক্ষ্ণৌৰ হৈ চাৰিটা উইকেট দখল কৰা ছাৰ্দুল ঠাকুৰক প্লেয়াৰ অব্ দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

০০০০০০

**সমাপ্ত**